Total number of printed pages–4

**1 (Sem–1/FYUGP) ASS41MJ**

**2025**

# ASSAMESE

(Major)

Paper : ASS4100104 MJ

( অসমীয়া ভাষা আৰু সাহিত্যৰ ইতিহাস )

*Full Marks : 60*

Time : 2½ hours

***The figures in the margin indicate full marks for the questions.***

১। অতি চমুকৈ উত্তৰ দিয়া ঃ ১×৮=৮

(ক) লোকগীতৰ এটা বৈশিষ্ট্য লিখা।

(খ) "তেওঁলোকৰ (কামৰূপৰ মানুহৰ) ভাষা মধ্যভাৰতৰ ভাষাতকৈ অলপ বেলেগা"—অসমীয়া ভাষা সম্পৰ্কে কোনগৰাকী পৰিব্ৰাজকে এই মন্তব্য কৰিছিল?

(গ) অসমীয়া আৰু বাংলা—এই দুয়োটা ভাষাৰ উমৈহতীয়া সাহিত্যৰ এটি নিদৰ্শন দাঙি ধৰা।

(ঘ) কোনগৰাকী কবিক শংকৰদেৱে 'পূৰ্বকবি অপ্ৰমাদী' বুলি কৈছিল?

(ঙ) বৰ্তমান 'কীৰ্ত্তন ঘোষা'ত সন্নিৱিষ্ট হৈ থকা খণ্ডসমূহ কোনে সংগ্ৰহ কৰি একত্ৰিত কৰিছিল?

(চ) অৰ্জুন-ভঞ্জন'ক বাদ দি মাধৱদেৱৰ অন্য নাটখিনিক কি নামেৰে জনা যায়?

(ছ) কোনগৰাকী পাঁচালী কবিৰ ৰচনা জনসমাজত 'সুকন্নানী' নামে জনাজাত?

(জ) 'কথা-ৰত্নাৱলী' পুথিখনৰ ৰচক কোন?

২। চমুকৈ উত্তৰ দিয়া ঃ *(যিকোনো ছটা)* ২×৬=১২

(ক) অসমীয়া ভাষাটো কামৰূপী প্ৰাকৃতৰ পৰা উদ্ভৱ হোৱা বুলি মত দাঙি ধৰা *দুগৰাকী* ভাষাবিদৰ নাম লিখা।

(খ) মহামহোপাধ্যায় হৰপ্ৰসাদ শাস্ত্ৰীয়ে চৰ্যাগীতসমূহ ক'ৰ পৰা সংগ্ৰহ কৰি কি নামেৰে প্ৰকাশ কৰিছিল?

(গ) কামৰূপী আৰু গোৱালপৰীয়া লোকগীত বাণীবন্ধন কৰি তাৰ সংৰক্ষণত বিশেষ অৱদান আগবঢ়োৱা *দুগৰাকী* সংগীত শিল্পীৰ নাম লিখা।

(ঘ) কালিৰাম মেধিয়ে কোনখন গ্ৰন্থক বৈষ্ণৱ ধৰ্মৰ প্ৰথম অসমীয়া পুথি আখ্যা দিছে? গ্ৰন্থখনৰ ৰচক কোন?

(ঙ) বৰগীতৰ *দুটা* বৈশিষ্ট্য লিখা।



(চ) বধকাব্যৰ ৰচক কোন? তেওঁৰদ্বাৰা ৰচিত 'অতি সৰল আৰু অতি জনপ্ৰিয়' গ্ৰন্থখনৰ নাম কি?

(ছ) শংকৰোত্তৰ কালৰ সাহিত্যত সংযোজিত হোৱা সাহিত্যৰ *দুটা* ধাৰাৰ নাম উল্লেখ কৰা।

(জ) 'গুৰু-শিষ্যৰ মণিকাঞ্চন' সংযোগ পাঠটি কোনখন গ্ৰন্থৰ পৰা লোৱা হৈছে? গ্ৰন্থখনৰ সম্পাদক কোন?

(ঝ) 'সাতসৰী অসম বুৰঞ্জী'-ত কেইখন বুৰঞ্জী সন্নিৱিষ্ট হৈছে? এইখন কোনে সংগ্ৰহ আৰু সম্পাদনা কৰিছিল?

(ঞ) আহোম যুগত ৰচিত *দুখন* ব্যৱহাৰিক পুথিৰ নাম লিখা।

৩। চমু উত্তৰ লিখা ঃ *(যিকোনো চাৰিটা)* ৫×৪=২০

(ক) অসমীয়া ভাষা আৰু সাহিত্যৰ ইতিহাসত ১৮২৬ চনৰ গুৰুত্ব বৰ্ণনা কৰা।

(খ) 'কানাই পাৰ কৰা হে' গীতটিৰ ভাবাৰ্থ আৰু গীতটিত ব্যৱহৃত ভাষাৰ বিষয়ে চমুকৈ লিখা।

(গ) 'শ্ৰীকৃষ্ণকীৰ্ত্তন' পুথিখনৰ এটি চমু আভাস দিয়া।

(ঘ) যুদ্ধক্ষেত্ৰত অৰ্জুনে 'যুদ্ধ নকৰোঁ' বুলি ৰথৰ ওপৰত কিয় বহি পৰিছিল 'কথাগীতা'-ৰ অৰ্জুনৰ বিষাদ যোগৰ আধাৰত বৰ্ণনা কৰা।

(ঙ) 'বেউলাৰ নৃত্য' পাঠটিত বেউলাৰ নৃত্যকুশলতা কিদৰে প্ৰকাশ পাইছে আলোচনা কৰা।

(চ) ‘হস্তীবিদ্যার্ণৱ পুথিখনত বৰ্ণিত মংগল হাতীৰ লক্ষণবোৰ কি কি আলোচনা কৰা?

(ছ) শংকৰদেৱৰ ‘নাৰায়ণ কাহে ভকতি কৰো তেৰা’ বৰগীতটিৰ বিষয়বস্তু সম্পৰ্কে চমুকৈ লিখা।

(জ) ‘বিজয় নাম বেলাতে’—পাঠটিত শ্ৰীকৃষ্ণৰ জন্ম বিৱৰণ কিদৰে দিয়া হৈছে বৰ্ণনা কৰা।

৪। তলৰ *যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১০×২=২০

(ক) হেম সৰস্বতীৰ ‘প্ৰহ্লাদ চৰিত’ কাব্যত প্ৰহ্লাদৰ বিষ্ণুভক্তি কিদৰে প্ৰকাশ পাইছে আলোচনা কৰা।

(খ) ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ পৰা অসমীয়া ভাষাৰ উদ্ভৱ কিদৰে হৈছে আলোচনা কৰা।

(গ) ‘চোৰধৰা’ ঝুমুৰাখনত শ্ৰীকৃষ্ণ চতুৰতাপূৰ্ণ কাৰ্যাৱলীৰ আভাস দিয়া।

(ঘ) শিৱৰ ঘৰত গৰুৰখীয়া হিচাপে থকা কালছোৱাৰ ঘটনাৱলী ‘ভীমচৰিত’-ৰ আধাৰত বৰ্ণনা কৰা।

(ঙ) ‘গুৰু-শিষ্যৰ মণিকাঞ্চন সংযোগ’ পাঠটোত মাধৱদেৱৰ গুৰুভক্তি আৰু বিনয়ভাবৰ প্ৰকাশ কিদৰে হৈছে আলোচনা কৰা।

---